# Telephone conversation between Prime Minister and PM of Kuwait

April 01, 2020

## ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু কুৱেটৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 01, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি কুৱেটৰ প্ৰধানমন্ত্ৰী মহামহিম শ্বেইখ ছাবাহ আল–খালেদ আল–হামাদ আল–চাবাহৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰীয়ে কুৱেটৰ আমিৰ, ৰাজ পৰিয়াল আৰু কুৱেটবাসীৰ সু–স্বাস্থ্য কামনাৰে শুভেচ্ছা জনায়। বাৰ্তালাপৰ সময়ত ভাৰতৰ চুবুৰীয়া দেশ হিচাপে ভাৰতৰ সৈতে কুৱেটৰ সম্পৰ্কৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে প্ৰধানমন্ত্ৰীয়ে।

দুয়োগৰাকী নেতাই বৰ্তমানৰ ক’ভিড–১৯ মহামাৰীৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দিশবোৰ আলোচনা কৰে। এই স্বাস্থ্যজনিত সংকটৰ সময়ত সহযোগিতাৰে তথা পাৰস্পৰিক সমৰ্থনেৰে তথ্যৰ আদান–প্ৰদানৰ ক্ষেত্ৰত উভয় দেশৰ বিষয়াবৰ্গই নিয়মীয়াকৈ যোগাযোগ স্থাপন কৰি আছে বুলি নেতা দুগৰাকী সহমতত উপনীত হয়।

কুৱেটৰ প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব সহকাৰে কয় যে কুৱেটে বৃহৎ সংখ্যক ভাৰতীয় লোকে দেশখনৰ প্ৰতি আগবঢ়োৱা অৱদানৰ উচিত মূল্য দিছে আৰু বৰ্তমানৰ পৰিস্থিতিতো তেওঁলোকৰ সুৰক্ষা আৰু কল্যান সুনিশ্চিত কৰিব। প্ৰধানমন্ত্ৰীয়ে এই আশ্বাসৰ বাবে কুৱেটৰ প্ৰধানমন্ত্ৰীক ধন্যবাদ জনোৱাৰ লগতে তেওঁৰ শলাগ লয়।

**নতুন দিল্লী**
**এপ্ৰিল 01, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.